(খ) মালিতা

(গ) ফঁকৰা-যোজনা

(ঘ) মাধৱ কন্দলী

(ঙ) মাধৱদেৱৰ অংকীয়া নাট

(চ) দুৰ্গাবৰৰ ৰচনাত প্ৰতিফলিত অসমীয়া সমাজ

(ছ) চৰ্যাপদৰ ভাষা

(জ) 'চৰিত তোলা' প্ৰথা

(ঝ) বুৰঞ্জী সাহিত্য

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×২=২৪

(ক) 'লোকসাহিত্য' বুলিলে কি বুজা? লোকসাহিত্যৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰি অসমীয়া লোকসাহিত্যৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা।

(খ) 'চৰ্যাপদ' কি? চৰ্যাপদে কোনখন সমাজক প্ৰতিনিধিত্ব কৰিছে? চৰ্যাপদত প্ৰতিফলিত সমাজখনৰ বিষয়ে সবিশেষ লিখা।

(গ) 'শংকৰদেৱৰ সাহিত্যকৃতি সম্পৰ্কে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(ঘ) ভট্টদেৱৰ গদ্যৰ বিশেষত্বসমূহ ফঁহিয়াই আলোচনা কৰা।

---



Total number of printed pages–4

**63 (FY)SEM–1/MAJ1/ASMMAJ1014**

**2024**

# ASSAMESE

Paper : ASMMAJ1014

***( History of Assamese Literature–I )***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৬=৬

(ক) বিষয়বস্তুৰ সংযুতি আৰু প্ৰসংগ অনুসৰি সাধুকথাবোৰক কেইটা ভাগত ভাগ কৰিব পাৰি?

(i) তিনিটা

(ii) চাৰিটা

(iii) পাঁচটা

(iv) ছয়টা

*Contd.*

(খ) “কাটি আনি পচলা মজিয়াত থলে।
পচলাৰ পানী গৈ ঘৰবুৰি গলে।।”
এফাঁকি

*(i)* মন্ত্ৰ
*(ii)* সাঁথৰ
*(iii)* জুনা
*(iv)* প্ৰবাদ

(গ) সহজযানী চৰ্যাকাৰসকলৰ ভিতৰত কোনগৰাকী চৰ্যাকাৰক ‘আদিগুৰু’ হিচাপে জনা যায়?

*(i)* সৰহপাদ
*(ii)* ভুসুকুপাদ
*(iii)* কাহ্নুপাদ
*(iv)* লুইপাদ

(ঘ) ‘দেৱজিৎ কাব্য’খন কোনগৰাকী কবিৰ দ্বাৰা বিৰচিত বুলি প্ৰচলন আছে?

*(i)* ৰুদ্ৰ কন্দলী
*(ii)* মাধৱ কন্দলী
*(iii)* হৰিবৰ বিপ্ৰ
*(iv)* কবিৰত্ন সৰস্বতী

(ঙ) শংকৰদেৱে সংস্কৃতত ৰচনা কৰা পুথিখনৰ নাম কি?

*(i)* ভক্তি প্ৰদীপ
*(ii)* নিমিনৱসিদ্ধ সংবাদ
*(iii)* ভক্তি ৰত্নাকৰ
*(iv)* কীৰ্ত্তন ঘোষা



(চ) নামঘোষাৰ ঘোষা সংখ্যা কিমান ?

*(i)* এহেজাৰ
*(ii)* ছয়শ
*(iii)* পাঁচশ
*(iv)* চাৰিশ

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) লোকগীতৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ‘ডাকৰ বচন’ মানে কি? অসমীয়া সমাজত বহুল প্ৰচলিত *যিকোনো এফাঁকি* ডাকৰ বচন লিখা।

(গ) ‘চৰ্য্যাচৰ্য-বিনিশ্চয়’ শীৰ্ষক গ্ৰন্থখন কোনে আৰু ক'ৰপৰা উদ্ধাৰ কৰে?

(ঘ) ভট্টদেৱে ৰচনা কৰা *যিকোনো দুখন* গ্ৰন্থৰ নাম লিখা।

(ঙ) দুৰ্গাবৰৰ ‘গীতি ৰামায়ণ’ৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(চ) চৰিত সাহিত্য কোন যুগৰ ৰচনা? ‘গুৰুচৰিত-কথা’ কোনে সম্পাদনা কৰিছে?

(ছ) ‘বুৰঞ্জী’ শব্দটো কি ভাষাৰ পৰা আহিছে? হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত বুৰঞ্জীখনৰ নাম লিখা।

৩। চমু টোকা লিখা ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) বিহুনামৰ বৈশিষ্ট্য